**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***<u>Headlines</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাক গৱেষণা আৰু উন্নয়নমূলক কামকাজত ষ্টাৰ্টআপক সামৰি লোৱাৰ বাবে আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত সপ্তম প্ৰাক বাজেট আলোচনাত মিলিত হয়।

৪। ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ আজি ঘোষণা কৰা হৈছে।

*আৰু*

৫। কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত আই এছ এল ফুটবল প্ৰতিযোগিতাত মোহন বাগান ছুপাৰ জিয়াণ্ট-হায়দৰাবাদ ফুটবল ক্লাবৰ মুখামুখি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে অশোক বিহাৰত প্ৰায় এহেজাৰ ৭০০টা নৱনিৰ্মিত ফ্লেট উদ্বোধন কৰি হিতাধিকাৰীসকলক ফ্লেটৰ চাবি প্ৰদান কৰিব। বস্তি অঞ্চলৰ লোকৰ পুনৰ সংস্থাপন প্ৰকল্পৰ অধীনত দিল্লী উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা এই ফ্লেটসমূহ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে বস্তি অঞ্চলত বসবাস কৰা লোকসকলক উপযুক্ত সা-সুবিধা থকা এটা উন্নত আৰু স্বাস্থ্যকৰ পৰিৱেশ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে নৌৰজি নগৰ আৰু সৰোজিনী নগৰত দুটা নগৰ উন্নয়ন প্ৰকল্পও উদ্বোধন কৰিব। একেদৰে তেওঁ দ্বাৰকা নগৰত প্ৰায় ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ সংহত কাৰ্যালয়ো উদ্বোধন কৰিব।

তেওঁ দিল্লী বিশ্ববিদ্যালয়ত ৬০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া তিনিটা নতুন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। তেওঁ নাজাফগড়ৰ ৰৌচনপুৰাত থকা বীৰ ছাৱাৰকাৰ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক যোগেশ সিঙে আকাশবাণীৰ সংবাদদাতাক কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে পূব দিল্লীৰ সুৰজমল বিহাৰত থকা চৌহদৰ লগতে দ্বাৰকাতো আন এটা শৈক্ষিক ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাক ইয়াৰ গৱেষণা আৰু উন্নয়নমূলক কামকাজত ষ্টাৰ্টআপক সামৰি লোৱাৰ সম্ভাৱনাক অন্বেষণ কৰাৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত আজি ডি আৰ

ডি অ'ৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীক সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰী সিঙে কয়, যে ভাৰতৰ প্ৰতিৰক্ষা খণ্ডৰ বাবে নতুন উদ্ভাৱনী প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰিবলৈ এই সংস্থাই নতুন নতুন মূল্যবান ধাৰণা গ্ৰহণ কৰা উচিত। তেওঁ দেশৰ নিৰাপত্তা বাহিনীসমূহৰ বাবে অস্ত্ৰ-শস্ত্ৰৰ থলুৱাভাৱে বিকশাই তোলাৰ বাবে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাক প্ৰশংসা কৰিছে। তেওঁ ব্যক্তিগত খণ্ডৰ সৈতে প্ৰযুক্তি আৰু পেটেণ্ট আদান-প্ৰদান কৰি যুটীয়াভাৱে বিভিন্ন কাম কৰাৰ প্ৰয়াসক প্ৰশংসা কৰিছে। ২০২৫ বৰ্ষক সংস্কাৰৰ বৰ্ষ হিচাপে অভিহিত কৰি শ্ৰী সিঙে এই প্ৰতিৰক্ষা সংস্থাই ইয়াৰ বিভিন্ন কাৰ্যসূচীসমূহ ৰূপায়ণৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰাত এটা বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ সঘনে সলনি হৈ থকা প্ৰযুক্তিৰ সৈতে তাল মিলাই কাম কৰি যাবলৈও সংস্থাটোৰ প্ৰতি আহ্বান জনায়। তেওঁ প্ৰযুক্তিৰ ক্ষেত্ৰত উন্নত দেশসমূহৰ প্ৰতি লক্ষ্য ৰাখি নতুন উদ্ভাৱন কৰিবলৈ বিজ্ঞানীসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ২০২৫-২৬ বৰ্ষৰ বাবে দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটৰ পূৰ্বে বিত্তীয় খণ্ড আৰু মূলধনী বজাৰৰ লগত জড়িত সংশ্লিষ্ট পক্ষৰ সৈতে সপ্তম প্ৰাক বাজেট আলোচনাত মিলিত হয়। এই বৈঠকত কেন্দ্ৰীয় বিত্ত সচিব, ডি আ পি এ এমৰ সচিব, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিবসকল আৰু মুখ্য বিত্তীয় পৰামৰ্শদাতা উপস্থিত থাকে। ইয়াৰ পূৰ্বে শ্ৰীমতী সীতাৰমনে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকল, উদ্যোগিক প্ৰতিনিধি, স্বাস্থ্য আৰু শিক্ষা খণ্ড, কৃষি খণ্ডৰ লগত জড়িত আগশাৰীৰ অৰ্থনীতিবিদ আৰু ভালেমান কৃষক, সংগঠনৰ সৈতে প্ৰাক বাজেট আলোচনাৰ অধ্যক্ষতা কৰে। সংসদত অহা ১ ফেব্ৰুৱাৰীত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। উল্লেখযোগ্য যে, শ্ৰীমতী সীতাৰমণৰ একেৰাহে অষ্টম বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব।

০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড় দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। তেওঁ আজি গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ নতুন এফ এম ট্ৰান্সমিটাৰ উদ্বোধনৰ প্ৰস্তুতি সম্পৰ্কেও সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণীৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো কাইলৈ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড় আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি গুৱাহাটীত উপস্থিত থাকিব। এই উপলক্ষে একে সময়তে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ

বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মান্নাথু পদ্মনাভনক তেওঁৰ জন্ম দিনত শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে তেওঁক এগৰাকী প্ৰকৃত দূৰদৰ্শী বুলি অভিহিত কৰিছে। তেওঁ এখন উন্নত সমাজ গঢ়াৰ বাবে প্ৰচেষ্টা চলোৱাৰ উপৰি নাৰী সৱলীকৰণ আৰু মানুহৰ দুখ-কষ্ট নিৰাময়ৰ বাবে যথেষ্ট উদ্যোগ লৈছিল বুলিও শ্ৰী মোদীয়ে কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে প্ৰয়াত পদ্মনাভনে শিক্ষা আৰু শিক্ষণৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰিছিল।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত Jammu Kashmir and Ladakh: Through the Ages নামৰ এখন গ্ৰন্থ উন্মোচন কৰে। কিতাপখন হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাতে প্ৰকাশ কৰা হৈছে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান উপস্থিত থাকে।

ooooo

যোৱা ১০ বছৰত দেশত ৩৬ শতাংশ উল্লেখযোগ্য কৰ্মসংস্থান বৃদ্ধি হৈছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য মতে ২০১৪ চনৰ পৰা ২০২৪ চনলৈ ১৭ কোটিতকৈও অধিক অতিৰিক্ত কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হৈছে। বিগত বৰ্ষত প্ৰায় ৪ কোটি ৬০ লাখ সংস্থাপন সৃষ্টি হৈছিল বুলি মন্ত্ৰালয়ৰ তথ্যত প্ৰকাশ পাইছে। মন্ত্ৰালয়ে কোৱা অনুসৰি ২০১৪ চনৰ পৰা ২০২৪ চনৰ সময়ছোৱাত ৩৬ শতাংশ কৰ্মসংস্থাপন বৃদ্ধি পাইছে। ২০০৪ৰ পৰা ২০১৪ চনৰ সময়ছোৱাতকৈ এই বৃদ্ধিৰ হাৰ ৭ শতাংশ বেছি। ইউ পি এ চৰকাৰৰ দিনত ২০০৪ৰ পৰা ২০১৪ চনৰ ভিতৰত দুই কোটি ৯০ লাখ অতিৰিক্ত কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ দিনত কৃষি খণ্ডত ১৯ শতাংশ কৰ্মসংস্থাপনৰ বৃদ্ধি পৰিলক্ষিত হৈছে। সেইদৰে নিৰ্মাণখণ্ডত ১৫ শতাংশ, সেৱা খণ্ডত ৩৬ শতাংশ কৰ্মসংস্থাপন বৃদ্ধি হৈছে। মন্ত্ৰালয়ে জনোৱা মতে ২০১৭-১৮ চনৰ ৬ শতাংশৰ তুলনাত ২০২৩-২৪ বৰ্ষৰ সময়ছোৱাত নিবনুৱাৰ হাৰ ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে।

ooooo

ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। দবাৰ বিশ্ব চেম্পিয়ন ডি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাক্কৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং, পেৰিছ পেৰা অলিম্পিকত সোণৰ পদক বিজয়ী প্ৰবীন কুমাৰক মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব।

সেইদৰে ৩২ গৰাকী খেলুৱৈক এইবাৰ অৰ্জুন বঁটা আগবঢ়োৱা হ'ব। এথলেট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নিতু আৰু ছুইটী, দবা খেলুৱৈ ভণ্টিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টীটে, অভিষেক, সঞ্জয়, জৰমানপ্ৰীত সিং আৰু সুখজিৎ সিঙক অৰ্জুন বঁটা প্ৰদান কৰা হ'ব। পেৰা আৰ্চাৰ ৰাকেশ কুমাৰ, পেৰা এথলেট প্ৰীতিপাল, জীৱনজী দিপ্থী, অজিত সিং আৰু শচীন খিলাড়ীকো এই বঁটা প্ৰদান কৰা হ'ব। প্ৰসিদ্ধ এথলেট ছুচা সিং, সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰকো অৰ্জুন বঁটাৰে সন্মানিত কৰা হ'ব।

পেৰা শ্যুটিং প্ৰশিক্ষক সুভাষ ৰাণা, দিপালী দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সনদীপ ছংৱান, বেডমিণ্টনৰ প্ৰশিক্ষক এছ্ মুৰুলীধৰণ আৰু ফুটবলৰ প্ৰশিক্ষক আৰমান্দো এগনেলো কলাকোক ধ্যানচান্দ বঁটা আগবঢ়োৱা হ'ব। ভাৰতীয় শাৰীৰিক শিক্ষা ফাউণ্ডেচনক খেল প্ৰোৎসাহন বঁটা আগবঢ়োৱা হ'ব। চণ্ডীগড় বিশ্ববিদ্যালয়, লাভলী প্ৰফেচনেল বিশ্ববিদ্যালয় আৰু অমৃতসৰৰ গুৰুনানক দেৱ বিশ্ববিদ্যালয়লৈ মৌলানা আবুল কালাম আজাদ ট্ৰফী আগবঢ়োৱা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ১৭ জানুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত বিশেষভাৱে আয়োজিত অনুষ্ঠানত খেলুৱৈসকলক এই বঁটাসমূহ প্ৰদান কৰিব।

০০০০০

কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত আজি কিছু সময়ৰ পাছত আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত মোহন বাগান ছুপাৰ জিয়াণ্ট-হায়দৰাবাদ ফুটবল ক্লাবৰ মুখামুখি হ'ব। খেলখন চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব। লীগৰ পইণ্ট তালিকাত মোহন বাগান ছুপাৰ জিয়াণ্ট ১৩ খন খেলৰ পৰা ২৯ পইণ্ট অৰ্জন কৰি তালিকাৰ শীৰ্ষত আছে। ইয়াৰ বিপৰীতে সমসংখ্যক খেলৰ পৰা ৮ পইণ্ট অৰ্জন কৰি হায়দৰাবাদ ফুটবল ক্লাব দ্বাদশ স্থানত আছে।

০০০০০

সমাপ্ত